জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৮৭/২০২২**

<u>বজালী আৰু বৰপেটা জিলাৰ বান পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে</u>

# বৰপেটা চহৰৰ মাজেৰে বৈ যোৱা হাৰিজান খনন কৰি বৃহত্তৰ অঞ্চলটোক ভৱিষ্যতে বানমুক্ত কৰি ৰখাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

# বানৰ প্ৰকোপ কমাৰ পিছতে আৰম্ভ হ'ব পহুমাৰা নৈৰ মথাউৰি সবলীকৰণৰ কাম ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বজালী আৰু বৰপেটা জিলাৰ বিভিন্ন ঠাই পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে আশ্ৰয় শিবিৰত থকা লোকসকলৰ লগত মত-বিনিময় কৰে। প্ৰশাসনে আগবঢ়োৱা বান সাহায্য সম্পৰ্কতো মুখ্যমন্ত্ৰীয়ে বুজ লয়।

মুখ্যমন্ত্ৰীয়ে বজালী জিলাৰ পাটাছাৰকুছিস্থিত কুঁৱাৰা অঞ্চলটো পৰিদৰ্শন কৰি কালদিয়া নৈৰ বানৰ কৱলত পৰা লোকসকলৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ভৱানীপুৰ সমষ্টিৰ মেধিকুছিত পহুমাৰা নৈৰ বানে সৃষ্টি কৰা ব্যাপক ক্ষয়-ক্ষতিৰ চাক্ষুস বুজ লয়। তেওঁ ৪২৫ নং মেধিকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয় আৰু মেধিকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা আশ্ৰয় শিবিৰো পৰিদৰ্শন কৰি তাত থকা আৱাসীসকলে প্ৰশাসনৰ পৰা লাভ কৰা সা-সুবিধা সম্পৰ্কতো বুজ লয়। আশ্ৰয় শিবিৰত থকা লোকসকলৰ সৈতে মত-বিনিময় কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে বানত যিসকল লোকৰ গৃহ ক্ষতিগ্ৰস্ত বা ধ্বংসপ্ৰাপ্ত হৈছে সেইবোৰৰ পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে যাৱতীয় সহায় আগবঢ়াব। তেওঁ লগতে কয় যে পহুমাৰা নৈৰ মথাউৰিটো সবলীকৰণ কৰি তাৰ ওপৰত পথ নিৰ্মাণৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰৰ দ্বাৰা ৯ কোটি টকাৰ অনুমোদন কৰা হৈছে। বানৰ প্ৰকোপ কমাৰ পিছতে মথাউৰিটো পুনৰ নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ভৱানীপুৰ সমষ্টিৰ অন্তৰ্গত সৰলপাৰা, নয়াপাৰাত পহুমাৰা নৈয়ে সৃষ্টি কৰা বান পৰিস্থিতি প্ৰত্যক্ষ কৰে। মুখ্যমন্ত্ৰীয়ে প্লাৱিত পথেৰে খোজকাঢ়ি জনসাধাৰণে সন্মুখীন হোৱা দুখ-কষ্টৰ বুজ লয়। উল্লেখ্য যে, মেধিকুছিতে ২৬ ঘৰ লোকৰ গৃহ সাম্প্ৰতিক বানত প্ৰত্যক্ষভাৱে ক্ষতিগ্ৰস্ত হৈছে আৰু বহু লোক প্ৰভাৱিত হৈছে। তেওঁ বান ক্ষতিগ্ৰস্ত লোকসকলক আশ্বাস প্ৰদান কৰি কয় যে এনে লোকসকলৰ এখন তালিকা প্ৰশাসনে প্ৰস্তুত কৰিব আৰু পৰৱৰ্তী পৰ্যায়ত চৰকাৰে যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে সাম্প্ৰতিক বানৰ দ্বাৰা প্ৰভাৱিত হোৱা লোকসকলক সকাহ দিয়াৰ বাবে

ৰাজ্য চৰকাৰে যিমানদূৰ সম্ভৱ সহায়ৰ হাত আগবঢ়াব।

বজালী জিলাৰ বান পৰিস্থিতি অধ্যয়নৰ পিছত মুখ্যমন্ত্ৰীয়ে আজি ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰ, আদিধাম পাটবাউসী সত্ৰ আৰু শ্ৰীশ্ৰী শংকৰদেৱ থান দৰ্শন কৰি সেৱা আগবঢ়ায়। তেওঁ লগতে শ্ৰীমন্ত শংকৰদেৱৰ বঁটা প্ৰাপক তথা বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ শৰ্মাকো সাক্ষাৎ কৰি আশিস লয়। আনহাতে, পাটাছাৰকুছিৰ বান পৰিস্থিতি পৰিদৰ্শন কালত তেওঁ গহীনপাৰাস্থিত দলোগোঁসাই থানো দৰ্শন কৰে।

বৰপেটা জিলা পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে আজি বৰপেটা জিলাৰ পাটবাউসীস্থিত পাটবাউসী উচ্চ মাধ্যমিক বিদ্যালয়, পাটবাউসী মজলীয়া বিদ্যালয় আৰু বৰপেটা চহৰৰ বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বন্যাৰ্তই লাভ কৰা সাহায্য তথা অভাৱ-অভিযোগৰ বুজ লয়। তেওঁ কয় যে বৰপেটা চহৰৰ মাজেৰে বৈ যোৱা হাৰিজান খনন কৰি বৃহত্তৰ অঞ্চলটোক ভৱিষ্যতে বানমুক্ত কৰি ৰখাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। এই দিশত যাতে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিব পৰা যায় তাৰ বাবে জলসম্পদ বিভাগৰ মন্ত্ৰীগৰাকীয়ে বৰপেটা ভ্ৰমণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

আজিৰ এই পৰিদৰ্শনৰ সময়ছোৱাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণী তালুকদাৰ, বজালী জিলাৰ উপায়ুক্ত কাবেৰী বৰকাকতি শৰ্মা আৰু বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূযাল উপস্থিত থাকে।

নিঃকুঃদাঃ
**২৮/০৬/২০২২**